সত্যমেব জয়তে
অসম চৰকাৰ

# মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (MGNREGA)

জনতাৰ চৰকাৰ | my GOV मेरी सरकार



**নৱ কুমাৰ দলে**
*মন্ত্ৰী (স্বতন্ত্ৰ), পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম*

# মজুৰিভিত্তিক কৰ্মসংস্থানেৰে গ্ৰাম্য অসমৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাৰ সবল পদক্ষেপ

## এমজিএনৰেগাৰ অধীনত কাম কৰক আৰু জীৱিকাৰ পৰিৱেশ সুৰক্ষিত কৰক

অসম চৰকাৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে এমজিএনৰেগাৰ অধীনত জব কাৰ্ডৰ মাধ্যমেৰে প্ৰতিটো ইচ্ছুক গ্ৰাম্য পৰিয়াললৈ বছৰত ১০০ দিনৰ কৰ্মসংস্থান প্ৰদান কৰিব। ইয়াত অন্তৰ্ভুক্ত হ'ব -

ক) বহিঃৰাজ্যৰ পৰা নিজ গৃহলৈ অহা শ্ৰমিক
খ) ৰাজ্যখনৰ চহৰাঞ্চলৰ পৰা নিজ গাঁৱলৈ উভতি যোৱা শ্ৰমিক আৰু
গ) গাঁৱত থকা অন্যান্য ইচ্ছুক লোক

## আপুনি এই কৰ্মসংস্থানৰ বাবে আগ্ৰহীনে ?

যদি হয়, তেন্তে পলম নকৰিব। জব কাৰ্ড থকাসকলে এমজিএনৰেগাৰ অধীনত কাম বিচাৰি আৰু জব কাৰ্ড নথকাসকলে জব কাৰ্ডৰ বাবে নিজ নিজ গাঁও পঞ্চায়ত কাৰ্যালয়ত আবেদন কৰক আৰু আপোনাৰ পৰিয়ালৰ আৰ্থিক সুৰক্ষা নিশ্চিত কৰক।

**মনত ৰাখিব -**

- আবেদন কৰাৰ ৭ দিনৰ ভিতৰত আপুনি জব কাৰ্ড লাভ কৰিব।
- এটা পৰিয়ালৰ বাবে এখনহে জব কাৰ্ড দিয়া হয়।
- পৰিয়ালৰ প্ৰতিজন ইচ্ছুক প্ৰাপ্তবয়স্ক ব্যক্তিৰ নাম এই জব কাৰ্ডত সন্নিবিষ্ট কৰিব পাৰি।
- এখন জব কাৰ্ডত নাম সন্নিবিষ্ট প্ৰতিগৰাকী লোকে একে সময়তে কাম কৰিব পাৰিব।
- জব কাৰ্ডৰ অধীনত কাম বিচৰাৰ ১৫ দিনৰ ভিতৰত কাম পোৱাটো নিশ্চিত।
- কাম কৰাৰ ১৫ দিনৰ ভিতৰত মজুৰি লাভ কৰাটো নিশ্চিত।
- আপোনাৰ জব কাৰ্ড কেৱল আপুনি ব্যৱহাৰ কৰিব।
- আপোনাৰ জব কাৰ্ড আপোনাৰ লগতে ৰাখিব। এই জব কাৰ্ড আনে ব্যৱহাৰ কৰিব নোৱাৰিব।
- আপোনাৰ একাউন্টৰ পৰা অন্য লোকক টকা উলিয়াবলৈ নিদিব।




**প্ৰতিদিনৰ মজুৰি ১৯৩ টকাৰ পৰা ২১৩ টকালৈ বৃদ্ধি**

**লকডাউনৰ সময়ত -**
৩৮,৭৪৮ গৰাকী সদস্যক সামৰি ৯,৯৬৮ টা পৰিয়ালক নতুনকৈ জব কাৰ্ড প্ৰদান
৪,৬৫,১২৭ টা পৰিয়াললৈ মজুৰি ভিত্তিক কৰ্মসংস্থান
২২.৮৮ লাখ কৰ্মদিন সৃষ্টি
৪৯.৫৭ কোটি টকা মজুৰি প্ৰদান

*আহক, আপোনাক আৰ্থিক সকাহ দিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে হাতত লোৱা এই প্ৰচেষ্টাত অংশগ্ৰহণ কৰক আৰু নিজৰ লগতে গাঁৱৰ উন্নয়ন সুনিশ্চিত কৰক।*

Exclusive/P&RD/05-2020

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম**